# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

## মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

**জুন ২০২২**

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | | ১ মূল্যায়ন দিন | ২ মূল্যায়ন দিন | ৩ মূল্যায়ন দিন | ৪ মূল্যায়ন দিন | ৫ বন্ধ দিন আৰু উদ্‌যাপন দিন (বিশ্ব পৰিৱেশ দিৱস) |
| ৬ মূল্যায়ন দিন | ৭ মূল্যায়ন দিন | ৮ মূল্যায়ন দিন | ৯ মূল্যায়ন দিন | ১০ শ্ৰেণী দিন | ১১ শ্ৰেণী দিন | ১২ বন্ধ দিন |
| ১৩ শ্ৰেণী দিন | ১৪ শ্ৰেণী দিন | ১৫ শ্ৰেণী দিন | ১৬ শ্ৰেণী দিন | ১৭ শ্ৰেণী দিন | ১৮ শ্ৰেণী দিন | ১৯ বন্ধ দিন |
| ২০ বন্ধ দিন আৰু উদ্‌যাপন দিন (কলাগুৰু বিষ্ণু ৰাভা দিৱস) | ২১ শ্ৰেণী দিন আৰু উদ্‌যাপন দিন (আন্তৰ্জাতিক যোগ দিৱস) | ২২ শ্ৰেণী দিন | ২৩ শ্ৰেণী দিন | ২৪ শ্ৰেণী দিন | ২৫ শ্ৰেণী দিন | ২৬ বন্ধ দিন |
| ২৭ শ্ৰেণী দিন | ২৮ শ্ৰেণী দিন | ২৯ শ্ৰেণী দিন | ৩০ বন্ধ দিন (হুল দিৱস) | | | |

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণী

| ক শ্ৰেণী | প্ৰথম | দ্বিতীয় | তৃতীয় | বিষয় | চতুৰ্থ | পঞ্চম |
|---|---|---|---|---|---|---|
| অকণিৰ কৰ্মপুথি (পৃষ্ঠা: ১০-১৯) Beginners' English (Page: 10-15) | সংযোগী সম্ভাৰ (বিদ্যাপ্ৰৱেশ) | সংযোগী সম্ভাৰ | সংযোগী সম্ভাৰ | অসমীয়া (ভাষা-১) | লঘোন | পিঠাৰ মেল |
| | | | | গণিত | দৈৰ্ঘ্য | কালি আৰু পৰিসীমা |
| | | | | ইংৰাজী (ভাষা-২) | Who has seen the Wind? | Bird Talk |
| | | | | পৰিৱেশ অধ্যয়ন | শাক-পাচলিৰ বাগিছা | আহাৰৰ প্ৰয়োজনীয়তা |

❑ প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ বাবে প্ৰস্তুত কৰা সংযোগী সম্ভাৰৰ কাৰ্যকলাপ আৰু তাৰ মূল্যায়ন তাত সন্নিৱিষ্ট নিৰ্দেশনা অনুযায়ী সম্পাদন কৰিব।

**ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।**

#### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

- ❑ পঞ্চ ইন্দ্ৰিয়ৰ চিনাক্তকৰণ কৰিবলৈ শিকিব।
- ❑ পৰিৱেশৰপৰা সৰু সৰু বস্তু সংগ্ৰহ কৰিব।।
- ❑ ভাৰসাম্য ৰক্ষাৰ ব্যায়াম কৰিব।
- ❑ প্ৰস্ৰাৱগাৰ/শৌচালয় ব্যৱহাৰ কৰাৰ লগতে খোৱাৰ আগত আৰু খোৱাৰ পাছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

#### কলা আৰু শিল্পশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

- ❑ মাটি আৰু কাগজেৰে বিভিন্ন আকৃতি প্ৰস্তুত কৰিব।
- ❑ পেলনীয়া সামগ্ৰী যেনে- ৰঙৰ টেমা, প্লাষ্টিকৰ বটল, মগ, কাপ আৰু অন্যান্য বস্তুৰ দ্বাৰা টাব প্ৰস্তুত কৰি ফুলৰ পুলি ৰুব।

## উদ্‌যাপন দিৱস আৰু অন্যান্য কাৰ্যাৱলী

**১-৯ জুনঃ** প্ৰথম গোট মূল্যায়ন । এই মাহৰ তৃতীয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ মূল্যায়নৰ খতিয়ান অভিভাৱকৰ লগত আলোচনা কৰিব।

**৫ জুন ঃ** প্ৰাতঃসভাত বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰিব। পৰিৱেশৰ ভাৰসাম্য ৰক্ষাৰ বাবে গছ-গছনিৰ প্ৰয়োজনীয়তা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিব।

পূৰ্ব প্ৰস্তুতিৰে বিদ্যালয় চৌহদত বৃক্ষৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰিব ।

পৰিৱেশ সংৰক্ষণ, প্ৰদূষণ হ্ৰাসকৰণ আদি বিষয়ত ৰচনা লিখা, কবিতা লিখা, আকস্মিক বক্তৃতা আদি অনুষ্ঠিত কৰিব।

**২০ জুন ঃ** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিমূৰ্তিত/আলোকচিত্ৰত শ্ৰদ্ধাঞ্জলি জনাব। বিদ্যালয়ত তেখেতৰ জীৱন দৰ্শনৰ আলোচনা, গীত-মাত চৰ্চাৰ আয়োজন কৰিব।

**২১ জুন ঃ** যোগ দিৱসত ছাত্ৰ-ছাত্ৰীক যোগাসন কৰাব আৰু যোগ দিৱসৰ সভা পাতি যোগৰ তাৎপৰ্য ব্যাখ্যা কৰিব। যোগাসনৰ দ্বাৰা মানসিক আৰু শাৰিৰীক ক্ষমতা বৃদ্ধি কৰাৰ লগতে পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতাৰ ভাৰসাম্য ৰক্ষা কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক দৈনন্দিন জীৱনত আগুৱাই যোৱাৰ বাবে উৎসাহিত কৰিব ।

**২৯ জুন ঃ** বন্ধৰ সময়খিনি সদ্ ব্যৱহাৰ কৰাৰ অৰ্থে ছাত্ৰ-ছাত্ৰীক কিছু গৃহ কাম, প্ৰকল্প আদি কৰিবলৈ দিব। কাৰ্যসমুহৰ বিৱৰণ জুলাই মাহৰ পৃষ্ঠাত উল্লেখ কৰা হৈছে ।

| | | |
|---|---|---|
| মূল্যায়ন দিন | ঃ | ৮ |
| প্ৰকৃত শ্ৰেণী দিন | ঃ | ১৬ |
| ৰবিবাৰ | ঃ | ৪ |
| আন বন্ধৰ দিন | ঃ | ২ |
| মাহটোৰ মুঠ দিন | ঃ | ৩০ |

(মাহটোৰ উদ্‌যাপন দিনৰ সংখ্যা ঃ ৩)

## শ্ৰেণী অনুযায়ী পাঠ বিতৰণ

### ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণী

| বিষয় | ষষ্ঠ | সপ্তম | অষ্টম |
|---|---|---|---|
| অসমীয়া (ভাষা-১) | বিহু আদৰণি | জনমভূমি | জাগা জননীৰ সন্তান |
| গণিত | ❑ পূৰ্ণ সংখ্যা ❑ অখণ্ড সংখ্যা | ❑ সৰল সমীকৰণ ❑ ৰেখা আৰু কোণ | ❑ ব্যৱহাৰিক জ্যামিতি ❑ তথ্যৰ ব্যৱহাৰ |
| ইংৰাজী (ভাষা-২) | Tom Sawyer (R) | From the Diary of Anne Frank | Explore India : Quiz TIme |
| বিজ্ঞান | পদাৰ্থসমূহৰ শ্ৰেণী বিভক্তকৰণ | ❑ তাপ ❑ অম্ল, ক্ষাৰক আৰু লৱণ | পদাৰ্থ ঃ ধাতু আৰু অধাতু |
| সমাজ বিজ্ঞান | ❑ আমাৰ মৌলিক প্ৰয়োজনসমূহ (অ. বি) ❑ আদিম মানুহৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু স্থায়ী বসবাস (নৱপ্ৰস্তৰ যুগ)-(ই) ❑ উন্নত জীৱনৰ প্ৰয়োজনসমূহ (আমাৰ ব্যক্তিগত আৰু সামাজিক প্ৰয়োজন)-(অ. বি) | ❑ গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ (ই) ❑ পৰিকল্পনা, বাজেট আৰু উন্নয়ন (অ. বি) ❑ অৰ্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা (অ. বি) | ❑ মধ্যযুগৰ অসমীয়া সমাজ (ই) ❑ সংবিধান আৰু ইয়াৰ প্ৰয়োজনীয়তা (ৰা. বি) ❑ ভাৰতৰ সংবিধান (ৰা. বি) |
| হিন্দী (ভাষা-৩) | धरती माता का पत्र | मेरी राजस्थान यात्रा | मैडम मेरी क्यूरी |

**ষষ্ঠৰপৰা অষ্টম শ্ৰেণীলৈ নিম্নলিখিত ক্ৰিয়াকলাপসমূহ শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ স্তৰ অনুযায়ী মাহটোৰ পাঠৰ লগত সংগতি ৰাখি অনুশীলন কৰাব।**

#### কৰ্মশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

- ❑ **চিলাই কাম ঃ** ৰুমাল, বুটাম ঘাত, টেবুল ক্লথ, শৰাই ঢাকনী, কাপোৰৰ বেগ আদি প্ৰস্তুত কৰিবলৈ শিকিব।
- ❑ **বাঁহৰ কাম ঃ** বিচনী, ডলা, চাৰি, স্কেল, জেওৰা আদি প্ৰস্তুত কৰিব।

#### স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

- ❑ ফুটবল, কাবাডী, খো-খো, দীঘল জাঁপ, ওখ জাঁপ আদি খেলিব।
- ❑ প্ৰস্ৰাৱগাৰ/শৌচালয় ব্যৱহাৰ কৰাৰ লগতে খোৱাৰ আগত আৰু খোৱাৰ পাছত চাবোনেৰে হাত ধোৱাৰ ব্যৱস্থা কৰিব।

#### কলাশিক্ষা সম্বন্ধীয় ক্ৰিয়াকলাপ

ৰঙীন কাগজ আদিৰ সহায়ত ক'লাজ প্ৰস্তুত কৰিব।








❑ ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে নিজে সাৱধান হোৱাৰ লগতে শিশু, বৃদ্ধ আৰু বিশেষভাৱে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।

# ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

মাহভিত্তিক শৈক্ষিক দিনপঞ্জী

## জুলাই ২০২২

| সোম | মঙ্গল | বুধ | বৃহস্পতি | শুক্ৰ | শনি | ৰবি |
|---|---|---|---|---|---|---|
| | | | | ১ গ্ৰীষ্ম বন্ধ | ২ গ্ৰীষ্ম বন্ধ | ৩ গ্ৰীষ্ম বন্ধ |
| ৪ গ্ৰীষ্ম বন্ধ | ৫ গ্ৰীষ্ম বন্ধ | ৬ গ্ৰীষ্ম বন্ধ | ৭ গ্ৰীষ্ম বন্ধ | ৮ গ্ৰীষ্ম বন্ধ | ৯ গ্ৰীষ্ম বন্ধ | ১০ গ্ৰীষ্ম বন্ধ (ঈদ-উজ-জোহা) |
| ১১ গ্ৰীষ্ম বন্ধ (বিশ্ব জনসংখ্যা দিৱস) | ১২ গ্ৰীষ্ম বন্ধ | ১৩ গ্ৰীষ্ম বন্ধ (নেপালী কবি ভানুভক্ত আচাৰ্যৰ জন্মদিৱস) | ১৪ গ্ৰীষ্ম বন্ধ | ১৫ গ্ৰীষ্ম বন্ধ | ১৬ গ্ৰীষ্ম বন্ধ | ১৭ গ্ৰীষ্ম বন্ধ |
| ১৮ গ্ৰীষ্ম বন্ধ | ১৯ গ্ৰীষ্ম বন্ধ | ২০ গ্ৰীষ্ম বন্ধ | ২১ গ্ৰীষ্ম বন্ধ | ২২ গ্ৰীষ্ম বন্ধ | ২৩ গ্ৰীষ্ম বন্ধ | ২৪ গ্ৰীষ্ম বন্ধ |
| ২৫ গ্ৰীষ্ম বন্ধ | ২৬ গ্ৰীষ্ম বন্ধ | ২৭ গ্ৰীষ্ম বন্ধ | ২৮ গ্ৰীষ্ম বন্ধ | ২৯ গ্ৰীষ্ম বন্ধ | ৩০ গ্ৰীষ্ম বন্ধ | ৩১ গ্ৰীষ্ম বন্ধ |

বছৰটোৰ মুঠ শ্ৰেণীদিন একে ৰাখি কৰ্তৃপক্ষৰ পূৰ্ব অনুমতি সাপেক্ষে বৰাক উপত্যকাত ১ৰপৰা ৫ জুলাইলৈ শ্ৰেণীদিন হিচাপে গণ্য কৰি সমান সংখ্যক দিন পূজা বন্ধৰ লগত মিলাই ল'ব।


### গ্ৰীষ্ম বন্ধত কৰিবলগীয়া কাম

#### ক শ্ৰেণীৰপৰা পঞ্চম শ্ৰেণী

শিক্ষকে জুন মাহৰ শেষৰ শ্ৰেণী দিনটোত এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক বন্ধৰ সময়ছোৱাত ঘৰত বিভিন্ন ধৰণৰ শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিবলৈ দিব, যেনে-

- বৰ্ণ কাৰ্ড, সংখ্যা কাৰ্ড, ছবি কাৰ্ড, প'ষ্টাৰ আদি
- মাটিৰ সহায়ত বিভিন্ন বস্তুৰ আকৃতি
- কাগজৰ সহায়ত খাম, গ্ৰীটিংচ কাৰ্ড, ফুল আদি
- ভাল লগা বিষয়ৰ চিত্ৰাংকন
- ভাল লগা পদ্য, গীত-মাত আদিৰ অনুশীলন

*প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মাটি অথবা অন্য পাত্ৰত একোটিকৈ গছপুলি ৰোপণ কৰি লালন-পালন কৰিব। গ্ৰীষ্ম বন্ধ খোলাৰ দিনা গছপুলিটো বিদ্যালয়লৈ লৈ আনিব আৰু প্ৰতিদিনে তাৰ যত্ন ল'ব।*




### শিক্ষক, অভিভাৱক, সমাজৰ সক্ৰিয় ব্যক্তিৰ কৰণীয়

- শিক্ষক, পিতৃ-মাতৃ, অভিভাৱক তথা সমাজৰ সক্ৰিয় ব্যক্তিৰ তত্বাৱধানত স্থানীয়ভাৱে কৰা পৰিকল্পনাৰ আধাৰত ভ্ৰমণ/শিক্ষামূলক ভ্ৰমণ তথা পৰিয়াল-কেন্দ্ৰিক ভ্ৰমণৰ ব্যৱস্থা গ্ৰহণ কৰিব।
- ছাত্ৰ-ছাত্ৰীসকলক পিতৃ-মাতৃ তথা অভিভাৱকক দৈনন্দিন কাম-কাজত সহায় কৰাৰ প্ৰতি উৎসাহিত হ'বলৈ অনুপ্ৰাণিত কৰিব।
- সেই সময়ত অনুষ্ঠিত সামাজিক উৎসৱ-পাৰ্বণ তথা অন্যান্য অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব। ঘৰত কৰিবলৈ দিয়া প্ৰকল্প তথা অন্যান্য কাৰ্যসমূহ সম্পূৰ্ণ কৰাটো নিশ্চিত কৰিব।
- উল্লিখিত ভিন ভিন ভ্ৰমণ কাৰ্যসূচীৰ ওপৰত একোটি ভ্ৰমণ টোকা প্ৰস্তুত কৰিবলৈ দিব।

প্ৰকৃত শ্ৰেণী দিন ঃ ০
(বৰাক উপত্যকাৰ বাহিৰে)
ৰবিবাৰ ঃ ৫
গ্ৰীষ্ম বন্ধৰ দিন ঃ ২৬
(বৰাক উপত্যকাৰ বাহিৰে)
মাহটোৰ মুঠ দিন ঃ ৩১



### গ্ৰীষ্ম বন্ধত কৰিবলগীয়া কাম

#### ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণী

শিক্ষকে জুন মাহৰ শেষৰ শ্ৰেণী দিনটোত এই স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলক বন্ধৰ সময়ছোৱাত ঘৰত বিভিন্ন ধৰণৰ লেখা-মেলা কৰিবলৈ আৰু শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিবলৈ দিব, যেনে-

- ভ্ৰমণ কাহিনী, গল্প, কবিতা আদি
- বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী
- ৰুমাল, টেবুল ক্লথ, এমব্ৰ'ইদাৰী আদি
- বিভিন্ন ধৰণৰ মুখা, ফাইল ক'ভাৰ আদি
- ভাল লগা বিষয়ৰ ওপৰত প'ষ্টাৰ, বেনাৰ, শ্ল'গান আদি
- ভাল লগা বিষয়ৰ চিত্ৰাংকন

*প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে মাটি অথবা অন্য পাত্ৰত একোটিকৈ গছপুলি ৰোপণ কৰি লালন-পালন কৰিব। গ্ৰীষ্ম বন্ধ খোলাৰ দিনা গছপুলিটো বিদ্যালয়লৈ লৈ আনিব আৰু প্ৰতিদিনে তাৰ যত্ন ল'ব।*

